**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 12-11-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-----------------------

১। ৰাজ্যৰ ৫টা বিধানসভা সমষ্টিৰ কাইলৈ হ'বলগীয়া উপ-নিৰ্বাচনৰ ভোটগ্ৰহণৰ বাবে নিৰ্বাচন আয়োগৰ প্ৰস্তুতি সম্পূৰ্ণ।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আজি তিনিদিনীয়া ভ্ৰমণসূচীৰে কেন্দ্ৰীয় শাসিত অঞ্চল দাদ্ৰা আৰু নগৰ হাভেলী, দমন আৰু ডিউলৈ।

৩। মণিপুৰৰ জিৰিবাম জিলাত নিৰাপত্তাৰক্ষীৰ সৈতে হোৱা সংঘৰ্ষত ১০টা উগ্ৰপন্থী নিহত।

৪। অসম সাহিত্য সভাৰ পৰৱৰ্তী সভাপতিৰ নাম চূড়ান্ত কৰাৰ বাবে আজি উচ্চ পৰ্যায়ৰ বৈঠক। *আৰু*

৫। মৰিগাঁৱত অনুষ্ঠিত সদৌ অসম আন্তঃজিলা মহিলা কাবাডী প্ৰতিযোগিতাত কোকৰাঝাৰ মহিলা দলৰ খিতাপ দখল।

০০০০০০

ৰাজ্যৰ ৫টা বিধানসভা সমষ্টিত কাইলৈ হ'বলগীয়া উপ-নিৰ্বাচনৰ ভোটগ্ৰহণৰ বাবে নিৰ্বাচন আয়োগে সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। কাইলৈ পুৱা ৭ বজাৰ পৰা চিদলী, বঙাইগাঁও, চামগুৰি, বিহালী আৰু ধলাই বিধানসভা সমষ্টিৰ বাবে মুঠ এহেজাৰ ৭৮টা কেন্দ্ৰত ভোটগ্ৰহণ কৰা হ'ব। ইয়াৰে চিদলীত ২৭৩টা, বঙাইগাঁৱত ২৪৬টা, চামগুৰিত ১৯৭টা, বিহালীত ১৫৪টা আৰু ধলাইত ২০৮টা ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে। এই কেন্দ্ৰসমূহত ভোটগ্ৰহণ সুকলমে সম্পন্ন কৰাৰ দায়িত্বত নিয়োজিত প্ৰায় ৪ হাজাৰ ৫০০ গৰাকী বিষয়া-কৰ্মচাৰী আজি বিয়লিৰ ভিতৰত নিজ নিজ কৰ্মস্থলীত উপস্থিত হ'ব বুলি নিৰ্বাচন আয়োগে প্ৰকাশ কৰিছে। চামগুৰি সমষ্টিত উপ-নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ সময়ত ভালেমান হিংসাত্মক ঘটনা সংঘটিত হোৱাৰ পৰিপ্ৰেক্ষিতত সমষ্টিটোৰ প্ৰায় প্ৰতিটো কেন্দ্ৰতেই সশস্ত্ৰ নিৰাপত্তাৰক্ষী নিয়োগ কৰা হৈছে। একেদৰে আন চাৰিটা সমষ্টিৰ স্পৰ্শকাতৰ আৰু অতি স্পৰ্শকাতৰ ভোটগ্ৰহণ কেন্দ্ৰসমূহতো সশস্ত্ৰ নিৰাপত্তাৰক্ষী মোতায়েনৰ ব্যৱস্থা কৰা হৈছে। উপ-নিৰ্বাচন নিৰ্বিঘ্নে সম্পন্ন কৰাৰ বাবে জিলা প্ৰশাসনসমূহে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। সংশ্লিষ্ট জিলা আয়ুক্তকেইগৰাকীয়ে এই সমষ্টিকেইটাৰ অন্তৰ্গত অঞ্চলসমূহত কালিৰে পৰা কাইলৈ বিয়লি পাঁচ বজালৈ সুৰাৰ প্ৰচলন নিষিদ্ধ কৰিছে।

উল্লেখযোগ্য যে কাইলৈ হ'বলগীয়া উপ-নিৰ্বাচনৰ বাবে মুঠ ৩৪ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। ধলাই আসনৰ বাবে ৮ গৰাকী, চামগুৰিৰ বাবে ১১ গৰাকী, চিদলীৰ বাবে ৩ গৰাকী, বিহালী আসনখনৰ বাবে ৪ গৰাকী আৰু বঙাইগাঁও সমষ্টিত ৮ গৰাকী প্ৰাৰ্থী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈছে। নিৰ্বাচনৰ আয়োগৰ তথ্য অনুসৰি এইবাৰো উপ-নিৰ্বাচনত ৯ লাখ ১২ হাজাৰৰো অধিকসংখ্যক ভোটদাতাই এই প্ৰাৰ্থীসকলৰ ৰাজনৈতিক ভাগ্য

নিৰ্ণয় কৰিব। এইসকলৰ মাজত পুৰুষ ভোটদাতাৰ সংখ্যা ৪ লাখ ৫৫ হাজাৰ ১২৪ আৰু মহিলা ভোটদাতাৰ সংখ্যা ৪ লাখ ৫৬ হাজাৰ ৮৮২ হোৱাৰ বিপৰীতে ১৯ গৰাকী তৃতীয় লিংগৰ ভোটদাতা আছে। উল্লেখযোগ্য যে অহা ২৩ নৱেম্বৰত এই উপ-নিৰ্বাচনৰ ভোটগণনা কৰা হ'ব।

আমাৰ আগৰ বাতৰিতেই কোৱা হৈছে যে কাইলৈ হ'বলগীয়া উপ-নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ কালি বিয়লি সামৰণি পৰে। নিৰ্বাচনী প্ৰচাৰৰ অন্তিম দিনটোত ভোটদাতাৰ মন আকৰ্ষণ কৰিবলৈ ভিন ভিন ৰাজনৈতিক দল আৰু প্ৰাৰ্থী তথা সমৰ্থকসকলে কালি সৰ্বাত্মক প্ৰচেষ্টা চলায় আৰু প্ৰচাৰ অভিযানৰ উত্তাপ যথেষ্ট বৃদ্ধি পোৱা পৰিলক্ষিত হয়।

০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আজি তিনি দিনীয়া ভ্ৰমণসূচীৰে কেন্দ্ৰীয় শাসিত অঞ্চল দাদ্ৰা আৰু নগৰ হাভেলী আৰু দমন আৰু ডিউলৈ ৰাওনা হ'ব। ভ্ৰমণৰ প্ৰথম দিনা আজি ৰাষ্ট্ৰপতিগৰাকীয়ে দমনৰ চৰকাৰী অভিযান্ত্ৰিক মহাবিদ্যালয় তথা ৰাষ্ট্ৰীয় ফেশ্বন প্ৰযুক্তি প্ৰতিষ্ঠানকে ধৰি বিভিন্ন অনুষ্ঠান পৰিদৰ্শন কৰিব। ৰাষ্ট্ৰপতিগৰাকী কাইলৈ ছিলভাছাত থকা নমো চিকিৎসা শিক্ষা আৰু গৱেষণা প্ৰতিষ্ঠানলৈ যাব।

ভ্ৰমণৰ সময়ছোৱাত শ্ৰীমতী মুৰ্মু বিভিন্ন শৈক্ষিক প্ৰতিষ্ঠানৰ ছাত্ৰ-ছাত্ৰী তথা শিক্ষক-শিক্ষয়িত্ৰীবৰ্গৰ সৈতে বাৰ্তালাপত মিলিত হ'ব। তেওঁ জান্দা চ'ক বিদ্যালয় মুকলি কৰাৰ লগতে ছিলভাছাত এখন জনসভাতো অংশগ্ৰহণ কৰিব। ৰাষ্ট্ৰপতিগৰাকীয়ে ডিউত থকা আই এন এছ খুক্ৰী স্মাৰকো পৰিদৰ্শন কৰিব।

০০০০০০

ব্ৰহ্মপুত্ৰ বোৰ্ডৰ উচ্চ ক্ষমতা সম্পন্ন পৰ্যালোচনা সমিতিৰ ত্ৰয়োদশ বৈঠক গুৱাহাটীত কেন্দ্ৰীয় জলশক্তি দপ্তৰৰ মন্ত্ৰী চি আৰ পাটিলৰ অধ্যক্ষতাত আজি অনুষ্ঠিত হ'ব। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাত বান নিয়ন্ত্ৰণ আৰু নদী ব্যৱস্থাপনা সম্পৰ্কত নীতি আৰু কৌশলসমূহ উন্নত কৰি তোলা বিষয়ক লৈ আলোচনা কৰা হ'ব। এই বৈঠকত উত্তৰ-পূৰ্বাঞ্চলৰ কেইবাখনো ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ লগতে বিভিন্ন মন্ত্ৰালয় আৰু বিভাগৰ শীৰ্ষ বিষয়াসকলে অংশগ্ৰহণ কৰিব।

০০০০০০

আজি ৰাজহুৱা সেৱা সম্প্ৰচাৰ দিৱস। এই উপলক্ষে কালি গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰৰ চৌহদত থকা উত্তৰ-পূৰ্বাঞ্চলৰ আকাশবাণী আৰু দূৰদৰ্শনৰ অতিৰিক্ত সঞ্চালকপ্ৰধানৰ কাৰ্যালয়ত দিনজোৱা কাৰ্যসূচীৰে অনুষ্ঠানৰ আয়োজন কৰা হয়। এই অনুষ্ঠানতে উত্তৰ-পূৰ্বাঞ্চলৰ আকাশবাণী কেন্দ্ৰসমূহে প্ৰচাৰ কৰা অনুষ্ঠানসমূহৰ প্ৰদৰ্শনৰ ওপৰত ভিত্তি কৰি বঁটা প্ৰদান কৰা হয়। আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰই প্ৰথম স্থান লাভ কৰাৰ লগতে আকাশবাণী ইম্ফলে দ্বিতীয় আৰু পাছিঘাটে তৃতীয় স্থান অৰ্জন কৰে। আকাশবাণী কেন্দ্ৰসমূহৰ অনুষ্ঠান কাৰ্যবাহী আৰু অন্যান্য বিষয়াসকলক তেওঁলোকে আগবঢ়োৱা অৱদানৰ বাবেও বঁটা প্ৰদান কৰা হয়। উত্তৰ-পূৰ্বাঞ্চলৰ আকাশবাণী আৰু দূৰদৰ্শন কেন্দ্ৰসমূহৰ অতিৰিক্ত সঞ্চালকপ্ৰধান আশীষ ভাটনাগৰে বঁটাসমূহ প্ৰদান কৰে। অনুষ্ঠানত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰ, অৱসৰপ্ৰাপ্ত সহকাৰী সঞ্চালক অসীম কুমাৰ কাজিৰ লগতে অন্যান্য বিষয়াসকল উপস্থিত থাকে।

০০০০০০

ৰাষ্ট্ৰীয় অনুসন্ধানকাৰী সংস্থা - এন আই এ-য়ে কালি নগাঁও জিলাৰ এটা স্থানত উগ্ৰপন্থী সংগঠন অলকায়দাৰ উপস্থিতি সন্দৰ্ভত সন্দৰ্ভত অভিযান চলায়। কেইদিনমান পূৰ্বে গোৱালপাৰা জিলাত জই ছ-ই-মহম্মদৰ সদস্য গ্ৰেপ্তাৰ হোৱাৰ পাছতে অনুসন্ধানকাৰী সংস্থাটোৱে কালি এই অভিযান চলায়। অভিযানৰ সময়ছোৱাত বহুতো আপত্তিজনক নথি-পত্ৰ উদ্ধাৰ কৰা হয়। উল্লেখযোগ্য যে সংস্থাটোৱে অসম, ত্ৰিপুৰা, পশ্চিমবংগ, জম্মু-কাশ্মীৰ, কৰ্ণাটক আৰু বিহাৰৰ মুঠ ৯টা স্থানত জই ছ-ই-মহম্মদৰ বাবে কাম কৰা সন্দেহজনক লোকৰ বিৰুদ্ধে অভিযান চলায়।

০০০০০০

ডিব্ৰুগড় জিলাৰ দুলীয়াজানত অনুষ্ঠিত অসম গ্ৰন্থ মেলাৰ কালি সামৰণি পৰে। অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ উদ্যোগত অনুষ্ঠিত এই গ্ৰন্থমেলাত প্ৰায় ৪০ লাখ টকাৰ কিতাপ বিক্ৰী হয়। সামৰণি অনুষ্ঠানত কালি শিক্ষামন্ত্ৰী তথা অসম প্ৰকাশন পৰিষদৰ অধ্যক্ষ ডাঃ ৰণোজ পেগু উপস্থিত থাকে। ভাষণ প্ৰসংগত মন্ত্ৰীগৰাকীয়ে কিতাপ পঢ়াৰ আন্দোলনত সকলোকে চামিল হ'বলৈ আহ্বান জনায়। তেওঁ কয়, যে অধ্যয়নে অশান্ত মনক শান্ত কৰিব পাৰে। সেয়েহে সৰুৰেপৰা ল'ৰা-ছোৱালীক কিতাপৰ প্ৰতি আকৰ্ষিত কৰি পঠনৰ জৰিয়তে মানসিক ব্যায়ামৰ প্ৰশিক্ষণ দিয়া উচিত। ইফালে, সন্মানীয় অতিথি হিচাপে উপস্থিত থকা বিশিষ্ট বিজ্ঞানী তথা লেখক ড° দীনেশ চন্দ্ৰ গোস্বামীয়ে কয়, যে ৰাজ্যৰ বিভিন্ন প্ৰান্তত অসম গ্ৰন্থমেলা আয়োজন কৰাটো ৰাজ্যবাসীৰ বাবে আনন্দৰ বতৰা। ইয়াৰ জৰিয়তে গ্ৰন্থৰ প্ৰসাৰ হোৱাৰ লগতে বৌদ্ধিক পৰিৱেশ সমৃদ্ধ হৈছে।

০০০০০০

অসম চৰকাৰ আৰু কেন্দ্ৰীয় সামৰ্থ্যবৰ্ধন আয়োগ অৰ্থাৎ চি বি চি আৰু কৰ্মযোগী ভাৰত অৰ্থাৎ এছ পি ভিৰ মাজত কালি এখন ত্ৰিপাক্ষিক বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়। ৰাজ্যখনৰ অসামৰিক সেৱাৰ বিষয়াসকলৰ সামৰ্থবৰ্ধনৰ লক্ষ্যৰে এই চুক্তি স্বাক্ষৰ কৰা হৈছে। এই ত্ৰিপাক্ষিক চুক্তিৰ অধীনত অসমৰ অসামৰিক সেৱাৰ বিষয়াসকলক নীতি-নিৰ্দেশনামূলক ভূমিকাৰ পৰিৱৰ্তে কৰ্ম নিৰ্ধাৰকৰ ভূমিকা লোৱা আৰু তথ্য প্ৰযুক্তিৰ ব্যৱহাৰেৰে কৰ্ম দক্ষতা বৃদ্ধিৰ প্ৰয়াস চলোৱা হ'ব।

অসম চৰকাৰৰ হৈ মুখ্য সচিব ড০ ৰবি কোটা আৰু কৰ্মযোগী ভাৰতৰ মুখ্য কাৰ্যবাহী বিষয়া তথা সচিব ভি. ললিতা লক্ষ্মীয়ে এই চুক্তিত স্বাক্ষৰ কৰে।

০০০০০০

০০০০০০

মণিপুৰৰ জিৰিবাম জিলাত নিৰাপত্তাৰক্ষীৰ সৈতে হোৱা সংঘৰ্ষত কালি ১০টা উগ্ৰপন্থী নিহত হয়। জানিব পৰা মতে জিৰিবাম জিলাৰ জাকুৰাধৰ আৰু বৰোবেক্ৰা আৰক্ষী চকীত অৱস্থিত চি আৰ পি এফৰ পহৰাচকীত কালি বিয়লি সশস্ত্ৰ উগ্ৰপন্থীয়ে আক্ৰমণ চলায়। নিৰাপত্তাৰক্ষী আৰু উগ্ৰপন্থী গোটৰ মাজত হোৱা সংঘৰ্ষৰ পাছত ঘটনাস্থলীৰ পৰা উগ্ৰপন্থীকেইটাৰ মৃতদেহ উদ্ধাৰ কৰা হয়। এই সংঘৰ্ষত চি আৰ পি এফৰ এজন জোৱানো আহত হয়। ইপিনে, সংঘৰ্ষৰ পাছত আঁতৰি পলাবলৈ সমৰ্থ হোৱা উগ্ৰপন্থী গোটটোৰ সদস্যই কিছু আঁতৰৰ এখন গাঁৱৰ বহুকেইটা ঘৰ জ্বলাই দিয়ে আৰু পুনৰ সংঘৰ্ষত লিপ্ত হয়। কেন্দ্ৰীয় নিৰাপত্তা বাহিনী, মণিপুৰ আৰক্ষী আৰু অসম ৰাইফল্‌ছে উগ্ৰপন্থীৰ বিৰুদ্ধে যোৱা এসপ্তাহ অভিযান চলাই বুজন পৰিমাণৰ অস্ত্ৰ-শস্ত্ৰ উদ্ধাৰ কৰিছে।

০০০০০০

বিশিষ্ট নাট্যকাৰ, পৰিচালক ঋতুপৰ্ণ দাসৰ কুৰুক্ষেত্ৰ শীৰ্ষক নাটখন  ভাৰতৰ ২২ টা আঞ্চলিক ভাষালৈ অনুদিত হৈছে। নাটখন আকাশবাণীৰ অখিল ভাৰতীয় নাট্যানুষ্ঠানত অহা ১৭ নৱেম্বৰৰ নিশা চাৰে ৯ বজাত নতুন দিল্লীৰ পৰা হিন্দীত আৰু দেশৰ ৫৯১ টা আকাশবাণী কেন্দ্ৰৰ পৰা অন্যান্য ২১ টা আঞ্চলিক ভাষাত একে সময়তে সম্প্ৰচাৰ হ'ব।

০০০০০০

গোৱালাপাৰা জিলাত বিগত বৰ্ষৰ দৰে এইবাৰো ভাৰত চৰকাৰে ধাৰ্য কৰি দিয়া ন্যূনতম সমৰ্থন মূল্যত ধান ক্ৰয় কৰাৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। অসম চৰকাৰৰ কৃষি বিভাগৰ তত্বাৱধানত যোৱা ১ নৱেম্বৰৰ পৰা কৃষি বিভাগৰ তৰফৰ পৰা কৃষকসকলৰ মাজত ধান বিক্ৰীৰ বাবে প্ৰমাণপত্ৰ বিতৰণ কৰি থকা হৈছে। কৃষকসকলৰ পৰা ধান ক্ৰয় কৰা প্ৰক্ৰিয়াৰ পৰ্যালোচনা কৰাৰ বাবে কালি জিলা আয়ুক্তৰ সভাপতিত্বত এখন সভা অনুষ্ঠিত হয়। সভাত ধান ক্ৰয় কৰা প্ৰতিনিধি আৰু ধান কলৰ স্বত্বাধিকাৰীসকল উপস্থিত থাকে। এইবাৰ ৰাজ্য চৰকাৰে ন্যূনতম সমৰ্থন মূল্যৰে ধান ক্ৰয়ৰ কৰাৰ বাবে গোৱালাপাৰা জিলাক মুঠ ১৭ হাজাৰ কুইণ্টল বান্ধি দিছে।

০০০০০০

অসমৰ পাঁচটা বিধানসভা সমষ্টিত কাইলৈ হ'বলগীয়া উপ-নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ কালি বিয়লি সামৰণি পৰে। নিৰ্বাচনী প্ৰচাৰৰ অন্তিম দিনটোত শেষবাৰৰ বাবে ভোটদাতাৰ মন জয় কৰিবলৈ ৰাজনৈতিক দলসমূহে চেষ্টা চলোৱা বাতৰিটো আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহে ভিন ভিন শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। বাতৰিটো দি আছাম ট্ৰিবিউন কাকতে STATE BYPOLLS : CAMPAIGNING FOR FIVE ASSEMBLY SEATS ENDS, আমাৰ অসম কাকতে **গুলী, অগ্নিসংযোগ, মাৰপিট, সা-সম্পত্তি ধ্বংসৰে হাইভল্টেজ উপ-নিৰ্বাচন, বিহাৰ-বংগকো চেৰ পেলাই প্ৰচাৰ শেষ, কাইলৈ ভোটগ্ৰহণ,** অসমীয়া খবৰ কাকতে **চামগুৰিত কংগ্ৰেছৰ ৰেলীৰ সমুখত শুই প্ৰতিবাদ কৰিলে নিৰ্দলীয় প্ৰাৰ্থীয়ে, হত্যা-হিংসা-গুলীবৰ্ষণেৰে অন্ত পৰিল প্ৰচাৰৰ, কাইলৈ মহাৰণ,** নিয়মীয়া বাৰ্তা কাকতে **৫ বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ প্ৰচাৰৰ সামৰণি, অন্তিম দিনা বাইক ৰেলী-সমদলেৰে চমক বিজেপিৰ**, দৈনিক অসম কাকতে **চামগুৰিত সমদলেৰে সামৰণি বিজেপি-কংগ্ৰেছৰ প্ৰচাৰ অভিযানৰ** শিৰোনামেৰে প্ৰকাশ কৰিছে।

**জুই-ধোঁৱা-গুলীৰে পুনৰ উত্তপ্ত জিৰিবাম, জিলাখনৰ নিৰাপত্তা বাহিনীৰ সৈতে হোৱা সংঘৰ্ষত কুকি উগ্ৰপন্থীৰ মৃতদেহৰ দ'ম** শীৰ্ষক বাতৰিতো আজি প্ৰকাশিত দৈনিক জনমভূমি কাকতে আলোকচিত্ৰসহ প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। বাতৰিটো দি আছাম ট্ৰিবিউন কাকতে TEN MINILANTS KILLED IN MANIPUR GUNFIGHT শিৰোনামেৰে প্ৰকাশ কৰিছে।

**মুদ্ৰাস্ফীতিত দুৰ্বিষহ নাগৰিকৰ জীৱন, দেশত বিগত ১৪ মাহৰ ভিতৰত সৰ্বোচ্চ হ'ব অক্টোবৰ মাহৰ মুদ্ৰাস্ফীতি**ৰ বাতৰিটো দৈনিক অসম কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

অসমীয়া প্ৰতিদিন কাকতে **বিহালী-দেৰগাঁও-কলিয়াবৰত সাজু হৈ উঠিছে তিনিখন নতুন টোলগে'ট,** দৈনিক অগ্ৰদূত কাকতে **চূণশিলৰ বাবে ভূমিপুত্ৰক উচ্ছেদৰ যো-জা** কৰাৰ বাতৰিটো প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

**CM HELPLINE ON THE ANVIL FOR REDRESSAL OF PUBLIC GRIEVANCES** বাতৰিটো দা ছেণ্টিনেল কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত আন আন গুৰুত্বপূৰ্ণ বাতৰিত আছে- দেশৰ মুখ্য ন্যায়াধীশ হিচাপে শপত ল'লে সঞ্জীৱ খান্নাই, অসমকে ধৰি ৬ ৰাজ্যৰ ২২ টা স্থানত **নিয়া**ৰ অভিযান, ৰাজ্যৰ জনজাতীয় শিক্ষাৰ্থীৰ বাবে ৩৬৭ কোটি আৱণ্টন ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

এতিয়া আমি পুনৰ ঘূৰি যাও বাতৰিৰ মাজলৈ।

০০০০০০

অসম সাহিত্য সভাৰ পৰৱৰ্তী সভাপতিগৰাকীৰ নাম চূড়ান্ত কৰাৰ বাবে আজি সভাৰ এখন উচ্চ পৰ্যায়ৰ বৈঠক আহ্বান কৰা হৈছে। আনহাতে উপ-সভাপতি আৰু প্ৰধান সম্পাদক পদৰ বাবে হ'বলগীয়া নিৰ্বাচনত তিনিগৰাকীকৈ প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰাটো নিশ্চিত হৈছে। কালি মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰাৰ অন্তত দুয়োটা পদৰ বাবে দুজনকৈ প্ৰাৰ্থীৰ মনোনয়ন বাতিল হোৱা বুলি সাহিত্য সভাৰ তৰফৰ পৰা প্ৰকাশ কৰা হৈছে। এই অনুসৰি উপ-সভাপতি পদত বিপিন কলিতা, পদুম ৰাজখোৱা আৰু চহিৰ ভূঞাৰ মাজত প্ৰতিদ্বন্দ্বিতা হ'ব। আনহাতে প্ৰধান সম্পাদক পদৰ প্ৰাৰ্থীকেইগৰাকী হ'ল সঞ্জীৱ শৰ্মা, দেৱজিত বৰা আৰু অজিৎ প্ৰসাদ শৰ্মা। বিষয়ববীয়া নিৰ্বাচনৰ বাবে অসম সাহিত্য সভাৰ মুঠ ৮৪৯ খন শাখা সমিতিয়ে ভোটদান কৰিব।

০০০০০০

শিৱসাগৰ জিলাৰ হাফলুটিং বৰনামঘৰ আৰু কলা-কৃষ্টি কেন্দ্ৰ পৰিচালনা সমিতিৰ উদ্যোগত অহা ১৪ নৱেম্বৰৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে শ্ৰীকৃষ্ণৰ ৰাসক্ৰীড়া মহোৎসৱৰ আয়োজন কৰা হৈছে। শ্ৰীমন্ত শংকৰদেৱৰ অনবদ্য সৃষ্টি ভাওনাৰ মাধ্যমেৰে আৰম্ভ হ'বলগীয়া ৭০ সংখ্যক মহোৎসৱৰ প্ৰথম দিনাৰ কাৰ্যসূচীত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰি বৰনামঘৰৰ নৱনিৰ্মিত কীৰ্তন গৃহৰ আনুষ্ঠানিকভাৱে মুকলি কৰিব বুলি উদ্যোক্তাসকলে জনাইছে। ৰাসক্ৰীড়া মহোৎসৱৰ পাছত ১৬ নৱেম্বৰৰ পৰা ২৩ নৱেম্বৰলৈ অসম ভিত্তিত ভাওনা প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ইয়াৰ লগতে জিলাখনৰ দিখৌমুখ মিলিত শিল্পী সমাজেও এইবাৰ আঞ্চলিক ভিত্তিত ৰাসৰ আয়োজন কৰিছে।

০০০০০০

মৰিগাঁৱত অনুষ্ঠিত সদৌ অসম আন্তঃজিলা মহিলা কাবাডী প্ৰতিযোগিতাত গোৱালপাৰা আৰু কোকৰাঝাৰ জিলাৰ মাজত হোৱা চূড়ান্ত খেলখনত কালি কোকৰাঝাৰ দলে চেম্পিয়নৰ খিতাপ দখল কৰে। ৰাজ্যৰ ২৬ খন জিলাৰ মহিলা কাবাডী দলে এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছিল। নিশা অনুষ্ঠিত বঁটা বিতৰণী সভাত মৰিগাঁও জিলা কাবাডী সন্থাৰ সভাপতি ৰমেন নাথ, মৰিগাঁৱৰ বিধায়ক ৰমাকান্ত দেউৰী আৰু গুৱাহাটী কাবাডী সন্থাৰ সভাপতি আলোক ত্ৰিপাঠীকে ধৰি বহুকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০০

ভাৰত আজি বিহাৰৰ ৰাজগীৰ হকী ষ্টেডিয়ামত চলি থকা মহিলাৰ এছিয় হকী চেম্পিয়নছ ট্ৰফী প্ৰতিযোগিতাত তিনিবাৰৰ বিজয়ী দক্ষিণ কোৰিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ইয়াৰ পূৰ্বে কালি প্ৰতিযোগিতাত নিজৰ প্ৰথমখন খেলত ভাৰতে মালয়েছিয়াক ৪-০ গলত পৰাস্ত কৰে। ইপিনে জাপান আৰু  দক্ষিণ কোৰিয়াৰ মাজত হোৱা প্ৰতিযোগিতাৰ প্ৰথমখন খেল ২-২ গলত ড্ৰ' হয়। প্ৰতিযোগিতাৰ দ্বিতীয়খন খেলত চীনে থাইলেণ্ডক ১৫-০ গলত পৰাস্ত কৰে।

০০০০০০

ভাৰতৰ তাৰকা খেলুৱৈ পি ভি সিন্ধু আৰু লক্ষ্য সেনে আজিৰ পৰা আৰম্ভ হ'বলগীয়া জাপান মাষ্টাৰ্ছ ছুপাৰ ফাইভ হাণ্ড্ৰেড বেডমিণ্টন প্ৰতিযোগতাত অংশগ্ৰহণ কৰিব। সিন্ধু কাইলৈ প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছত নিজৰ প্ৰথমখন খেলত থাইলেণ্ডৰ প্ৰতিদ্বন্দ্বী বুছানান অংবামৰুংফানৰ মুখামুখি হ'ব। ইপিনে, পুৰুষৰ ছিংগলছত লক্ষ্য সেন মালয়েছিয়াৰ লিয়ন জুন হাওৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

একেদৰে মহিলাৰ ডাবলছত ভাৰতৰ গায়ত্ৰী গোপীছান্দ আৰু তৃষা জলীৰ যুটীটোৱে চীনা টাইপেইৰ শু য়িন হুই আৰু লীন ঝিহ য়ুনৰ বিৰুদ্ধে অভিযান আৰম্ভ কৰিব। প্ৰতিযোগিতাৰ যোগ্যতা অৰ্জনকাৰী ৰাউণ্ডৰ খেলসমূহ আজি খেলোৱা হ'ব যদিও ভাৰতীয় খেলুৱৈসকল কাইলৈৰ পৰা প্ৰতিদ্বন্দ্বিতাত নামিব।

০০০০০০

সমাপ্ত